**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। আজি সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ জয়ন্তী। এই উপলক্ষে ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়ানাত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

৩। অসমত আজি কৃষিভিত্তিক লোক উৎসৱ ব'হাগ তথা ৰঙালী বিহু উদযাপন কৰা হৈছে।

৪। ভাৰতে আৰ্চাৰী বিশ্বকাপৰ প্ৰথম পৰ্যায়ৰ পুৰুষৰ ৰিকাৰ্ভ দলীয় শাখাত ৰূপৰ পদক অৰ্জন কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছে ডেলহী কেপিটেলছক ১২ ৰাণত পৰাস্ত কৰে।

ooooo

আজি সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ জয়ন্তী। এই উপলক্ষে দেশবাসীলৈ প্ৰেৰণ কৰা এটা শুভেচ্ছা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে, যে যথেষ্ট বিপৰ্যয়ৰ মাজতো বাবা চাহেব আম্বেদকাৰে এটা সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সমৰ্থ হোৱাৰ লগতে তেওঁৰ ব্যতিক্ৰমী সফলতাৰ বাবে বিশ্বজুৰি সন্মান লাভ কৰিছে। বাবা চাহেব আম্বেদকাৰ এগৰাকী বহুমুখী ব্যক্তিসম্পন্ন তথা অৰ্থনীতিবিদ, শিক্ষাবিদ হোৱাৰ লগতে এগৰাকী মহান সমাজ সংস্কাৰক আছিল বুলিও শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। মহিলা আৰু বঞ্চিত শ্ৰেণীৰ অৰ্থনৈতিক আৰু সামাজিক অধিকাৰৰ হকে জীৱনজুৰি প্ৰচেষ্টা চলোৱা ড০ আম্বেদকাৰে শিক্ষাক সামাজিক পৰিৱৰ্তন আৰু সবলীকৰণৰ গুৰুত্বপূৰ্ণ আধাৰ হিচাপে অভিহিত কৰিছিল বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। আম্বেদকাৰে আগবঢ়োৱা বৰঙণিয়ে দেশৰ জনসাধাৰণক অনুপ্ৰাণিত কৰি অহাৰ লগতে ভৱিষ্যত প্ৰজন্মকো ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰেৰণা যোগাব বুলি শ্ৰীমতী মুৰ্মুৱে লগতে কয়। সামাজিক সম্প্ৰীতি আৰু সমতা স্থাপনৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিগৰাকীয়ে আম্বেদকাৰৰ জীৱন আৰু কৰ্মক আদৰ্শ হিচাপে গ্ৰহণ কৰিবলৈও জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

ooooo

আম্বেদকাৰ জয়ন্তী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি হাৰিয়ানালৈ যাব। প্ৰধানমন্ত্ৰী প্ৰথমে হিছাৰত উপস্থিত হ'ব আৰু হিছাৰৰ পৰা অযোধ্যালৈ চলাচল কৰিবলগীয়া বাণিজ্যিক বিমান সেৱাৰ শুভাৰম্ভ কৰিব। বিমান যাত্ৰা নিৰাপদ, ব্যয়সাধ্য আৰু সকলোৰে বাবে সুলভ কৰি তোলাৰ প্ৰতিশ্ৰুতি অনুযায়ী প্ৰধানমন্ত্ৰীয়ে লগতে ৪১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া হিছাৰৰ **মহাৰাজ অগ্ৰসেন** বিমান বন্দৰৰ নতুন আগমন-প্ৰস্থান ভৱনৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ এটা সমাৰেশতো ভাষণ দিব। ইয়াৰ পাছত দুপৰীয়া প্ৰায় চাৰে ১২ বজাত প্ৰধানমন্ত্ৰীয়ে যমুনা নগৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন

আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে ৮০০ মেগাৱাট শক্তিসম্পন্ন দিনবন্ধু ছটুৰাম তাপশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে গোবৰ্ধন আঁচনিৰ অধীনত যমুনা নগৰৰ মুকাৰাবপুৰত কম্প্ৰেজ বায়'গেছ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলা, মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱ আৰু ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি পতাকা জোকাৰি ড০ আম্বেদকাৰ নগৰ-কোটা-নতুন দিল্লী এক্সপ্ৰেছ ৰে'লগাড়ীখন মুকলি কৰে। এই অনুষ্ঠানৰ বাবে অধ্যক্ষ শ্ৰীবিৰলাই কোটাত উপস্থিত হোৱাৰ লগতে মুখ্যমন্ত্ৰী ড০ যাদৱ তথা ৰে'লমন্ত্ৰী শ্ৰীবৈষ্ণৱে নতুন দিল্লীৰ পৰা ভিডিঅ' কনফাৰেঞ্চৰ মাধ্যমেৰে অংশগ্ৰহণ কৰে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী সাবিত্ৰী ঠাকুৰো এই অনুষ্ঠানৰ বাবে ড০ আম্বেদকাৰ নগৰত উপস্থিত থাকে। ৰে'লগাড়ী মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি অধ্যক্ষ শ্ৰীবিৰলাই কয়, যে এই ৰে'লগাড়ীখনৰ জৰিয়তে ৰাজস্থানৰ শিক্ষাৰ মূল কেন্দ্ৰ কোটা, ধৰ্মীয় কেন্দ্ৰ উজ্জয়িন তথা মধ্য প্ৰদেশৰ বাণিজ্যিক কেন্দ্ৰ ইন্দোৰৰ জনসাধাৰণ উপকৃত হ'ব। সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ জয়ন্তীত তেওঁৰ জন্মস্থানৰ পৰা এনে এখন ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকিবলৈ পোৱাটো শ্ৰীবিৰলাই পৰম সৌভাগ্য বুলি প্ৰকাশ কৰে। ইপিনে শ্ৰীবৈষ্ণৱে এই ৰে'লখনক  এখন গুৰুত্বপূৰ্ণ ৰে'ল বুলি উল্লেখ কৰে। তেওঁ কয়, যে এই ৰে'লখনৰ জৰিয়তে ৰে'ল মন্ত্ৰালয়ে ২০২৮ বৰ্ষত হ'বলগীয়া উজ্জয়িন কুম্ভমেলাৰ প্ৰস্তুতি আৰম্ভ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে    বাজেটত মধ্যপ্ৰদেশৰ বাবে ১৪ হাজাৰ ৭৪৫ কোটি টকা ব্যয় সাপেক্ষ আৰু ৰাজস্থানৰ বাবে ৯ হাজাৰ ৯৬০ কোটি টকা ব্যয় সাপেক্ষ ৰে'ল প্ৰকল্পৰ বাবে অনুমোদন জনোৱা হৈছে।

মন্ত্ৰী শ্ৰীসাবিত্ৰী ঠাকুৰে অঞ্চলটোৰ বাবে এনে এখন বিশেষ ৰে'লগাড়ী উপহাৰ দিয়াৰ বাবে ৰে'ল মন্ত্ৰালয়ক ধন্যবাদ জনোৱাৰ লগতে কৃতজ্ঞতা প্ৰকাশ কৰিছে।

০০০০০

অসমত আজি কৃষিভিত্তিক লোক উৎসৱ ব'হাগ তথা ৰঙালী বিহু উদযাপন কৰা হৈছে। আজি ব'হাগ বিহুৰ প্ৰথম দিনটো অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনা গ্ৰামাঞ্চলৰ কৃষক ৰাইজে গৰু বিহু উদযাপন কৰিছে। মাহ, হালধিৰে গৰুক নোৱাই, শিঙত তেল সানি, কপালত ফোট দি দীঘলতি, মাখিয়তিৰ ঠাৰিৰে কোবাই ওচৰৰ নৈ-বিল বা পুখুৰীলৈ নি সমূহীয়াভাৱে গা ধুৱাইছে। লাও, বেঙেনা, থেকেৰা, হালধি আদি দলিয়াই গৰুৰ শ্ৰীবৃদ্ধি কামনা কৰা হৈছে। কাইলৈ ব'হাগৰ পহিলা দিনটো মানুহ বিহু হিচাপে উদযাপন কৰা হ'ব। কাইলৈৰ পৰা অসমীয়া নৱবৰ্ষ আৰম্ভ হ'ব। নৱবৰ্ষৰ পহিলা দিনটোত অৰ্থাৎ মানুহ বিহুৰ দিনা সৰুৱে ডাঙৰক সেৱা কৰি আশীৰ্বাদ লোৱাৰ পৰম্পৰাৰ লগতে প্ৰিয়জনক বিহুৱান উপহাৰ দিয়াৰ প্ৰথা চলি আহিছে। ৰঙালী বিহু চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হৈ ব'হাগৰ ছদিনলৈ পালন কৰা হয়। কৃষিভিত্তিক এই উৎসৱত সকলোৱে আনন্দৰে বিহু নাম, বিহু নৃত্য আদিত অংশগ্ৰহণ আৰু উপভোগ কৰাৰ বাবে এই বিহুক ৰঙালী বিহু বুলিও কোৱা হয়।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **গ্ৰীষ্ম প্ৰবাহৰ সময়ত ল'বলগীয়া সাৱধানতা** সন্দৰ্ভত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী ড০ আৰ কে জেনামানী আৰু লেডী হাৰ্ডিন চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অধ্যাপক ড০ অনুপম প্ৰকাশৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২

১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি গ্ৰীষ্ম প্ৰবাহৰ কাৰণ, ইয়াৰ ফল আৰু এই সন্দৰ্ভত ল'বলগীয়া সাৱধানতাৰ বিষয়ে সমল ব্যক্তি দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০

ভাৰতে আৰ্চাৰী বিশ্বকাপৰ প্ৰথম পৰ্যায়ৰ পুৰুষৰ ৰিকাৰ্ভ দলীয় শাখাত ৰূপৰ পদক অৰ্জন কৰিছে। কালি আমেৰিকাত অনুষ্ঠিত চূড়ান্ত খেলখনত ভাৰতৰ ধীৰাজ বোম্মাদেৱাৰা, তৰুণদীপ ৰায় আৰু অতনু দাস চীনৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে ১-৫ৰ ব্যৱধানত পৰাস্ত হয়। প্ৰতিযোগিতাখনত এয়া ভাৰতৰ তৃতীয়টো পদক আৰু আজি বিয়লি অনুষ্ঠিত হ'বলগীয়া পুৰুষৰ ৰিকাৰ্ভ একক শাখাৰ শিতানত ভাৰতৰ ধীৰাজে আনটো পদক জয়ৰ সম্ভাৱনা সজীৱ কৰি ৰাখিছে। ইয়াৰ পূৰ্বে ভাৰতে কম্পাউণ্ড মিক্সড দলীয় শিতানত সোণ আৰু কম্পাউণ্ড পুৰুষৰ শাখাত এটা ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছে ডেলহী কেপিটেলছক ১২ ৰাণত পৰাস্ত কৰে। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰা মুম্বাইয়ে তিলক বাৰ্মাৰ ৩৩টা বলত কৰা ৫৯ ৰাণৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰে। ৰায়ন ৰিকল্টন, সূৰ্য কুমাৰ যাদৱ আৰু নমন ধীৰেও উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ডেলহীয়ে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৯৩ ৰাণহে কৰিবলৈ সমৰ্থ হয়। কৰুণ নায়াৰে ৪০টা বলত ৮৯ ৰাণ কৰে। মুম্বাইৰ হৈ কৰ্ণ শৰ্মাই ৩টা আৰু মিটচেল ছেণ্টনাৰে দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে কালি জয়পুৰত বিয়লিৰ ভাগত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৰাজস্থান ৰয়েলছক ৯ উইকেটত পৰাস্ত কৰে। ৰাজস্থানে নিৰ্ধাৰণ কৰি দিয়া ১৭৪ ৰাণৰ বিজয় লক্ষ্য বেংগালুৰুৱে ১৭ অভাৰ ৩টা বলত মাত্ৰ এটা উইকেট হেৰুৱাইয়ে অতিক্ৰম কৰে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত